# আপুনি জানেনে?

## তিনিটা দিন ক'ত হেৰাল ?

স্বাস্থ্য বিজ্ঞানৰ পৰিসংখ্যামতে এটা ছিগাৰেট হোপাৰ ফলত জীৱনৰ ৫ মিনিট সময় ক্ষয় হয়। এই হিচাপত দিনটোত হোপা দুটা ছিগাৰেটৰ ফলত ক্ষয় হয় ১০ মিনিট। সেইদৰে বছৰৰ ৩৬৫ দিনত ক্ষয় হয় ৩৬৫০ মিনিট। এই হিচাপত ৫০ বছৰীয়া ব্যক্তি এজনে হেৰুৱাব লাগে জীৱনটোৰ অমূল্য তিনিটা দিনতকৈও বেছি সময়।

## মাখিৰ শক্তি কিমান ?

পৃথিৱীৰ আটাইতকৈ বিপদজ্জনক প্ৰাণী–বিধেই হ'ল মাখি। ই টাইফয়েড, যক্ষ্মা, গ্ৰহণী আদি নানা বেমাৰৰ বীজাণু কঢ়িয়াই লৈ ফুৰিব পাৰে। এটা মাখিৰ দেহত ৩৩ কোটি বীজাণু লগতে ঠেঙত ১০০ কোটি পৰ্যন্ত বীজাণু কঢ়িয়াই লৈ ফুৰিব পাৰে।

## ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস কাৰ স্মৃতিত ?

ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস প্ৰতি বছৰৰ ২৮ ফেব্ৰুৱাৰী তাৰিখে উদযাপন কৰা হয়। এইটো তাৰিখত ১৯২৮ চনত ভাৰতীয় বিজ্ঞানৰ পিতৃ স্বৰূপ চি. ভি. ৰমণে আৱিষ্কাৰ কৰিছিল 'ৰমণ প্ৰক্ৰিয়া' (Raman Effect)। এই আৱিষ্কাৰৰ বাবে তেখেতে পদাৰ্থ বিজ্ঞানৰ ন'বেল বঁটাও লাভ কৰিছিল। সেয়ে ৰমণৰ স্মৃতিত এই ২৮ ফেব্ৰুৱাৰী তাৰিখটোত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা তৃণমূল পৰ্য্যায়ৰ পৰা জনপ্ৰিয় কৰাৰ উদ্দেশ্যে 'বিজ্ঞান দিৱস' হিচাপে পালন কৰা হয়।

## গ্ৰীণ হাউচ এফেক্ট কি ?

গ্ৰীণ হাউচ এফেক্ট এবিধ বায়ুমণ্ডলীয় প্ৰদূষণ। বায়ুমণ্ডলত সাধাৰণতে এক নিৰ্দিষ্ট অনুপাতত গেছৰ উপাদানবোৰ থাকিব লাগে যাতে ৭৮% নাইট্ৰ'জেন, ২০.৯% অক্সিজেন, ০.৯% আৰ্গন, ০.০৩% কাৰ্বন-ডাই-অক্সাইড আৰু সামান্য পৰিমাণৰ হাইড্ৰ'জেন, নিয়ন, হিলিয়াম, ক্ৰিপট'ন, জেনন, জলীয় বাষ্প থাকে। বৰ্তমান বায়ুমণ্ডলৰ এই অনুপাতত খেলিমেলিৰ সৃষ্টি হৈছে। বিশেষকৈ বায়ুমণ্ডলত মাত্ৰাধিকভাৱে কাৰ্বন-ডাই-অক্সাইড সৃষ্টিৰ বাবে। ফলত পৃথিৱীত উষ্ণতাৰ পৰিমাণ বৃদ্ধি পাইছে। ইয়াকে গ্ৰীণ হাউচ এফেক্ট বোলা হয়। ক্ষিপ্ৰ গতিত ধ্বংস হোৱা গছ-গছনিৰ বাবেই 'গ্ৰীণ হাউচ এফেক্টৰ' দৌৰাত্ম্য বৃদ্ধি পাইছে।

## এইড'ছ (AIDS) কি ?

পৃথিৱীত আবিৰ্ভূত হোৱা মহামাৰীবোৰৰ ভিতৰত এইড'ছ আটাইতকৈ মাৰাত্মক। ৰক্তদান, যৌন সংশৰ্গ আৰু ড্ৰাগচ ব্যৱহাৰৰ পৰা এই ৰোগ হ'ব পাৰে। ইয়াৰ ফলত শৰীৰৰ প্ৰতিৰোধ ক্ষমতা সম্পূৰ্ণ ৰূপে বিলুপ্ত হয়। ১৪ শ

শতিকাত ইউৰোপত আৰম্ভ হোৱা ক'লা জ্বৰ্ইকৈও এই ৰোগ ভয়ানক। এইড্‌ছ H T L V—ও ভাইৰাছৰ পৰা হয়। এই ভাইৰাছ বিধে R N A (ৰাইবো নিউক্লিক এছিড) এছিডত জিন সম্বন্ধীয় সকলো তথ্য সংৰক্ষণ কৰে। ভাইৰাছৰ পৰা মানুহলৈ জিন সম্বন্ধীয় সকলো তথ্য D N A ত (ডি. অক্সি. ৰাইবো নিউক্লিক এছিড) সংৰক্ষিত হৈ থাকে। H T L V—ও ভাইৰাছে যেতিয়া শৰীৰত প্ৰৱেশ কৰে ই শৰীৰৰ প্ৰতিৰোধ ক্ষমতাৰ মূল কোষ, T কোষক আক্ৰান্ত কৰাৰ ফলত এনজাইম (নিষেচক) প্ৰস্তুত হয়। এই ৰোগক সংক্ষেপে একুয়াৰ্ড ইমিউনি ডেফিচেন্সি চিনড্ৰম বুলি কোৱা হয় (AIDS)।

## আৰ্ট থেৰাপি কি ?

ক্ৰিমিয়াৰ যুদ্ধৰ সময়ত কছ বাহিনীয়ে সন্মুখীন হোৱা অবৰ্ণনীয় দুখ-যাতনাৰ লাঘৱৰ কাৰণে হাতত শুভ্ৰ পোহৰৰ চাকি লৈ যুদ্ধক্ষেত্ৰত উপস্থিত হয় এগৰাকী মমতাময়ী নাৰী যাৰ নাম ফ্লৰেন্স নাইটেঙ্গল। এই প্ৰতীক প্ৰতিমা নাৰী নাইটেঙ্গেলে যন্ত্ৰণা কাতৰ আহত কছ সৈনিক সকলৰ গভীৰ মমতাৰে শুশ্ৰূষা আগবঢ়ায়। তেখেতৰ নিৰাময় প্ৰক্ৰিয়া একমাত্ৰ ঔষধ নিৰ্ভৰ নাছিল। ই আছিল মানবিক মমতাৰ ওপৰত নিৰ্ভৰশীল। মানবিক ব্যৱস্থা সংবেদনশীল অথচ সুসংগবদ্ধ শুশ্ৰূষা বা নাৰ্চিং। এইদৰে নাইটেঙ্গেলে চিকিৎসা শাস্ত্ৰত এটি অনবদ্য শুশ্ৰূষা ধাৰা সংযোজন ঘটায়। এই বিদ্যাটো হ'ল আৰ্ট থেৰাপি। অৱশ্যে নাইটেঙ্গলৰ সময়ত আৰ্ট থেৰাপি ধাৰাটো সিমান বহল ভিত্তিত ঠন ধৰি উঠা নাছিল। নাইটেঙ্গলৰ মতে ৰূপ আৰু সৌন্দৰ্য্যৰ প্ৰতিক্ৰিয়া কেৱল মানসিক হ'লেও ইয়াৰ প্ৰভাৱ মানব দেহৰ ওপৰত লক্ষ্যণীয়। ৰোগ নিৰাময়ৰ ক্ষেত্ৰত সৌন্দৰ্য্যৰ প্ৰভাৱ স্পষ্ট। এইদৰে ফ্লোৰেন্স নাইটেঙ্গেলে আৰ্ট থেৰাপি শুভাৰম্ভ কৰি চিকিৎসা শাস্ত্ৰ আৰু শিল্প-কলাৰ মাজত সেতু বন্ধন ৰচনা কৰে।

নাইটেঙ্গলৰ পিচত কেইবা দশক অতিক্ৰম কৰা সত্বেও আৰ্ট থেৰাপি সম্পৰ্কে চিন্তাবিদ সকলৰ মাজত বিশেষ চিন্তা-চৰ্চাৰ সূত্ৰপাত হোৱা নাছিল। লাহে লাহে এই বিষয়টোৰ ওপৰত কেইবাজনো ব্যক্তিয়ে চিন্তা-ভাবনা আৰম্ভ কৰে। এই সকলৰ ভিতৰত আড্ৰিয়ানহিল এম এন বেৰ্গ ইত্যাদি। হিলৰ মতে ৰোগগ্ৰস্থ মানুহৰ দেহৰ যন্ত্ৰণা আঁতৰ কৰিব পাৰি চিত্ৰ-কলাৰ মাধ্যমত। চিত্ৰ-কলাই মানুহক প্ৰদান কৰে যন্ত্ৰণা অতিক্ৰম কৰাৰ অসাধাৰণ ক্ষমতা। লগতে মানসিক সমস্যা অসঙ্গতি আদি আৰ্ট থেৰাপিৰ দ্বাৰা বিশ্লেষণ কৰি ৰোগ নিৰ্ণয় কৰিব পাৰি। আৰ্ট থেৰাপি ব্যৱস্থাই মানসিক ৰোগ চিকিৎসাৰ ক্ষেত্ৰতো নতুন অধ্যায়ৰ সূচনা কৰিছিল।

দিল্লী বিশ্ববিদ্যালয়ৰ অন্তৰ্গত প্ৰখ্যাত ষ্টেনষ্টিফেনচ কলেজৰ স্নাতক আৰু দিল্লীৰ ১৯ অনুৰ্দ্ধ দলৰ সদস্য, নৰজিত সিং সিদ্ধু আৰু মনিন্দৰ সিঙৰ খেলাৰ সংগী, কলেজ দলৰ অধিনায়ক হিচাপে এখন বিদেশী ৰাষ্ট্ৰত বন্ধুত্বমূলক ক্ৰিকেট খেল খেলিবলৈ গৈ ঘটনাক্ৰমে সেই দেশখনত চাকৰিত নিযুক্তি পায়। ১৯৯৬ চনৰ বিশ্বকাপ ক্ৰিকেট খেল প্ৰতিযোগিতাত সেই ব্যক্তিজন সেই দেশখনৰ এগৰাকী নিৰ্ভৰযোগ্য খেলুৱৈ। তেওঁ কোন ? ● বিজয় মেহৰা, UAE দলৰ সদস্য।

2. শ্ৰীলঙ্কাত জন্ম MRF pace Academy প্ৰশিক্ষণপ্ৰাপ্ত প্ৰবাদ পুৰুষ বেগী বলাৰ ডেনিচ লিলিৰ মতে বিশ্ব ক্ৰিকেট মঞ্চত সম্ভাব্য প্ৰতিভাবান বেগী বলাৰ, মই কিন্তু চামিন্দাৰ ভাচ্ নহয়, তেনেহ'লে মই কোন ?

শ্ৰীলঙ্কাৰ ৰবীন্দ্ৰ পুষ্প কুমাৰ।

3. ১৯৭৫ চনৰ বিশ্ব কাপ ক্ৰিকেট প্ৰতিযোগিতাত মোৰ পিতৃয়ে পূৱ আফ্ৰিকা দলৰ হকে খেলিছিল মই কিন্তু মোৰ পিতৃতকৈ দক্ষতাৰে দীৰ্ঘ দিন ধৰি ইংলেণ্ডৰ হকে খেলিছিলোঁ। কিন্তু সমস্যাটো হ'ল জোতাৰ মাফ্। মোক লাগে ১২ নম্বৰ জোতা। এতিয়া কোৱা মই কোন ?

ইংলেণ্ডৰ ডেৰিক পিঙ্গেল।

"যি শিল্প কেৱল মাত্ৰ সুখী ব্যক্তিৰ বাবে, মোৰ মতে সেইটো হৈছে এটা অত্যন্ত প্ৰলোভনীয় আত্ম সৰ্বস্বতা। মই ভাবো, প্ৰকৃতিৰ দৰে, শিল্পইও সকলো শ্ৰেণীৰ আৰু সকলো মানুহৰ প্ৰয়োজনীয়তা আৰু আকাংক্ষা পূৰণ কৰিব।"

ৰোমাঁ ৰ'লা

# চন্দ্রলোক বিজয় আৰু বৈজ্ঞানিকৰ দৃষ্টিভংগী

বিজ্ঞানৰ অগ্ৰগতিৰ চমকপ্ৰদ সফলতাৰ অন্যতম স্বাক্ষৰ হ'ল চন্দ্ৰলোক বিজয়। এই বিজয় অভিযানৰ কাহিনী শুনি বিশ্ববাসীয়ে বিস্ময়ত হতবাক হৈ পৰে। বিজ্ঞানক মানৱ সভ্যতাৰ অন্যতম দিগনিৰ্ণয়কাৰী সোপান হিচাবে অভিহিত কৰে সকলোৱে। কিন্তু বাস্তৱ ক্ষেত্ৰত সেই শুভ সংবাদে মানৱ জাতিৰ সামগ্ৰিক কল্যাণৰ কিবা নতুন সংবাদ কঢ়িয়াই আনিছিল নে? হাজাৰ বছৰ ধৰি অন্যায়, শোষণ আৰু অভুক্তৰ বলি বিশ্বৰ বৃহৎ সংখ্যক জনসাধাৰণৰ বাবে কিবা আশাৰ সংবাদ কঢ়িয়াই আনিছিল নে? এজন নভোচাৰীয়ে চন্দ্ৰলোকত অৱতাৰণা কৰি বিজয় গৌৰৱেৰে পৃথিৱীলৈ প্ৰত্যাবৰ্তন কৰাৰ ফলত এজন অভুক্ত মানুহে এগৰাহ ভাত পাব, অসংখ্য অশিক্ষিত মানুহৰ মাজত এজন কি শিক্ষিত হব? প্ৰকৃততে সেই কাৰ্য্য কেতিয়াও সাধিত নহব। চন্দ্ৰলোক বিজয় অভিযানত যিমান কোটি কোটি ডলাৰ আৰু ৰুবেল ব্যয় কৰা হৈছে, সেই টকা খিনিৰে শ শ গাওঁক মহানগৰত ৰূপান্তৰ কৰিব পৰা গ'লহেতেন, লক্ষ লক্ষ অভুক্ত মানুহৰ মুখত এমুঠি ভাত দিব পৰা গ'লহেতেন, শতাধিক আধুনিক চিকিৎসালয় নিৰ্মাণ কৰি লক্ষ লক্ষ পীড়িত মানুহৰ চিকিৎসাৰ ব্যৱস্থা কৰিব পৰা গ'লহেতেন।

এই প্ৰসঙ্গত আমি এটা গুৰুত্বপূৰ্ণ প্ৰশ্নৰ অৱতাৰণা কৰিব পাৰো। নিৰ্মল আকাশত সূৰ্য্যৰ ওচৰত থকা নক্ষত্ৰটোৰ ওচৰ চাপিবলৈ বৰ্তমান মহাকাশ যানৰ গতি যদি ঘণ্টাত ২৫ হাজাৰ মাইলও হয় তেতিয়া কিমান সময় লাগিব? চন্দ্ৰলোকলৈ যোৱাত যদি তিনি চাৰি দিন লাগে তেতিয়া নিকটতম নক্ষত্ৰটোত পদাৰ্পণ কৰিবলৈ ঘণ্টাত ২৫ হেজাৰ মাইল বেগেৰে গলেও লাগিব এক লক্ষ বছৰ। যদি মহাকাশ যানৰ বেগ দুগুণো বৃদ্ধি কৰা হয় তেতিয়া লাগিব ৫০ হেজাৰ বছৰ। আচলতে বিশ্ব ব্ৰহ্মাণ্ডৰ ৰহস্য ভেদ কৰিবলৈ চেষ্টা কৰাৰ অৰ্থ হ'ল বকোৰ পৰা দক্ষিণ মেৰুলৈ ঠেলা গাড়ীৰে যাত্ৰা কৰাৰ লেখীয়া। বিশ্ব ব্ৰহ্মাণ্ডৰ ৰহস্য ভেদ কৰা কাৰ্য্যৰ মাজেৰে কিছুমান দেশে সামৰিক মৰাণাস্ত্ৰ গৱেষণা পৰীক্ষা নিৰীক্ষা কৰা বুলি অভিহিত কৰিব পাৰি। এই গৱেষণাৰ লগত মানৱ আৰু মানৱ সমাজৰ পাৰ্থিৱ জীৱনৰ কোনো উন্নতি কল্যাণৰ

সম্পৰ্ক নাই। সেয়ে বিজ্ঞানাচাৰ্য্য চন্দ্ৰ শেখৰ ভেংকট ৰমণে ১৯৬৬ চনত মাদ্ৰাজৰ আই, আই, টি, ( I. I. T. ) সমাবৰ্ত্তনত দিয়া ভাষণ প্ৰসঙ্গত চন্দ্ৰলোক অভিযানৰ বৈজ্ঞানিক প্ৰচেষ্টাক হাস্যকৰ আৰু পাগলামীৰ চূড়ান্ত নিদৰ্শন বুলি অভিহিত কৰিছিল। It is nothing but sheer raving lunacy to spend millions of dollars to shoot men in to space and make them walk there. I simply smile with loothing and contempt at this lunacy on the part of mankind.

আন এজন বিশ্ব বিশ্ৰুত অধ্যাপক ফ্ৰেড হয়েলে বোম্বাইত টাটা ইনষ্টিটিউচন অব ফাণ্ডামেণ্টেল্ ৰিচাৰ্চ পৰিদৰ্শন কালত চন্দ্ৰ লোক যাত্ৰা সম্বন্ধে এইদৰে মন্তব্য কৰিছিল, 'Criminal waste of money and a useless kind of activity.'

বিখ্যাত বুৰঞ্জীবিদ টয়েনবিয়ে চন্দ্ৰলোক যাত্ৰা সম্বন্ধে প্ৰশংসা কৰাৰ পৰিবৰ্তে এনেদৰে কৈছিল, In a sense, going to the moon is like building the pyramid or Louis XIV'S palace at versailles. Sizing up man's achievment, one would say how amazing, how strange, that this creature is so marvellous in his technology, but in morals and social behaviour, he has stayed practically stationary. This makes technology a racnace

আন এজন সমাজ বিজ্ঞানী লুইচ মাম ফোৰ্ডয়ে এইদৰে উল্লেখ কৰিছে. 'Through many now credulouly belive that space travel will open up marvellous new possibilities, there are strong historical grounds believing rather that this marks the fatal terminus of a process that has from the pyramid, Age on curbed human develop
ment. Space exploration itself is strictly a military byproduct and without pressure from the pentagon and the kremlin it would never have found a place in any national budget."

মানৱ মন সদায় মূল্য সন্ধানী। ই সদায় বিচাৰে ঐক্য সঙ্গতি, সমন্বয় আৰু সৌন্দৰ্য্য মূল আৰু ইষ্ট। সত্য, সৌন্দৰ্য্য আৰু ইষ্ট সমূহৰ প্ৰত্যেকৰে নিজা নিজা বৈশিষ্ট্য আছে"।

ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ

# প্ৰখ্যাত বিজ্ঞানীৰ আঁৰৰ কথা

## কণী উমনি দিয়া নাম পাহৰা বিজ্ঞানী

ৰাতিকো দিন কৰিব পৰা বিজুলী চাকিৰ জনক টমাছ আলভা এডিছন। সৰুতে বিজ্ঞানী টমাছ আলভা এডিছনে হাঁহে কণীবোৰ কিয় উমনি দিয়ে এইদৰে মাকক প্ৰশ্ন কৰিছিল। মাকে এডিছনক বুজাই দিলে যে এইদৰে উমনি দিলেহে কণীবোৰৰ পৰা সৰু সৰু হাঁহৰ পোৱালী জন্ম হ'ব। এডিছনক এই কথাই আনন্দ দিলে।

আবেলি সময়ত এডিছন ঘৰত নোহোৱা হ'ল। বিচাৰ খোচাৰ লাগিল। পিচত এডিছনক চুবুৰীয়া এঘৰৰ ভঁৰালৰ ভিতৰত খেৰৰ বাঁহ এটা সাজি কণী 'উমনি' দি থকাত পালে।

## এডিছনৰ অন্য এটা ঘটনা

এবাৰ টমাছ আলভা এডিছনে খাজনা দিবলৈ কাছাৰী পালেগৈ। এডিছন শাৰীত থিয় হ'ল। এটা সময়ত এডিছনৰ খাজনা দিয়াৰ পাল পৰিল। চিন্তাত তন্ময় হৈ থকা বিজ্ঞানীজনে খাজনাখিনি বিষয়া জনক দিলে। বিষয়াজনে খাজনাৰ বিপৰীতে ব্যক্তি জনৰ নাম জানিব বিচাৰিলে। এডিছনে থতমত খালে। তেখেতৰ নামটো কি আছিল? বিষয়াজনে ধমকিৰ সুৰত আকৌ নামটো সুধিলে। কিন্তু এডিছন নিৰুপায়। এডিছনৰ এই অসহায় অৱস্থালৈ লক্ষ্য কৰি ওচৰেৰে মানুহ এজনে তেখেতৰ নামটো কৈ দিলে যে তেখেতে বিখ্যাত বিজ্ঞানী টমাছ আলভা এডিছন।

## ৰোমাণ্টিক, নিৰক্ষৰ বিজ্ঞান সম্ৰাট

পাৰমাণৱিক বোমাৰ সূত্ৰ আৱিস্কাৰক এলবাৰ্ট আইনষ্টাইনে এবাৰ হোটেলত আহাৰ গ্ৰহণ কৰিবলৈ সোমাল। ভুলবশতঃ তেখেতে লগত বিত্ চকুযোৰ নিবলৈ পাহৰিলে। সেয়ে হোটেলৰ বেয়েৰাই যেতিয়া মেনোখন আনি দিলে, আইনষ্টাইনে মেনোখন পঢ়িব নোৱাৰি বেয়েৰাটোকে পঢ়ি দিবলৈ ক'লে। উত্তৰত বেয়েৰাজনে

নম্রভাৱে আইনষ্টাইনক ক'লে যে তেখেতৰ দৰে তেৰো নিৰক্ষৰ।

এলবাৰ্ট আইনষ্টানে তেখেতৰ বিখ্যাত আপেক্ষিকতাবাদ সূত্ৰটো অতি ধুনীয়াকৈ ৰোমান্টিক ভাৱে কৈছিল এইদৰে, 'যেতিয়া এজন পুৰুষে অতি মৰম লগা ছোৱালী এজনীৰ লগত এঘণ্টা কাল বহিব, তেওঁৰ এনে লাগিব যেন তেওঁ এক মিনিট সময়হে পাৰ কৰিলে, কিন্তু যদি তেওঁক এক মিনিট সময় এটা ষ্টোভ (Stove) ৰ ওপৰত বহুৱাই দিয়া হয়, সেই এক মিনিট সময় হ'ব তেওঁৰ বাবে এঘণ্টা কাল। আৰু সেইটোৱে হ'ল আপেক্ষিকতাবাদ।'

# 'হোৱাই' পণ্ডিত

সকলো বস্তুকে পুংখানুপুংখৰূপে জানিব বিচৰা মাধ্যাকৰ্ষণী শক্তি আদি সূত্ৰ আৱিস্কাৰক ছাৰ আইজক নিউটনে সৰুতে শিক্ষক সকলক অমুকটো কিয় এনেকৈ হয়, কেনেকৈ হয় এইবোৰ প্ৰশ্ন সুধি ব্যতিব্যস্ত কৰি তুলিছিল। সেয়ে লগৰীয়াবোৰে তেখেতৰ নাম দিছিল 'Why' ●

"আত্ম কেন্দ্ৰিক বুদ্ধিজীৱী বন্ধ জলাশয়ত আশ্ৰয় লয়। য'ত আছে আত্মবিনাশক স্ৰোতহীন নিৰ্জীৱ নিশ্চলতা, য'ত আছে মাত্ৰ বিমূৰ্ত মানুহৰ বিমূৰ্ত চিন্তা বাস্তৱ সম্পৰ্ক বৰ্জিত মূৰ্তি পূজা। এই বিমূৰ্ত চিন্তা সাৰ পদাৰ্থহীন, অৰ্থহীন শব্দ মাত্ৰ, তাৰ মাত্ৰ খোলাটিহে আছে"।

● ৰোঁমা ৰোলা

# অধ্যক্ষৰ প্ৰতিবেদন

মাত্ৰ ৬০ গৰাকী ছাত্ৰ-ছাত্ৰীৰে ১৯৬৪ চনৰ ১ আগষ্ট তাৰিখে প্ৰতিস্থিত হোৱা জৱাহৰলাল নেহৰু মহাবিদ্যালয়ে ১৯৯৫ চনৰ ৩১ জুলাই তাৰিখে ৩১ বছৰ অতিবাহিত কৰিলে। মাত্ৰ ৬০ গৰাকী ছাত্ৰ-ছাত্ৰীৰে আৰম্ভ কৰা মহাবিদ্যালয়খনত বৰ্তমানে প্ৰায় এহেজাৰ ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰি আছে।

যোৱা ৩১ বছৰে মহাবিদ্যালয়খনে প্ৰগতিৰ পথত ভালেখিনি আগবাঢ়িছে যদিও, এতিয়াও উচ্চ শিক্ষাৰ বাবে প্ৰয়োজনীয় দিশ কিছুমান পূৰণ কৰিব পৰা হোৱা নাই। মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই অভাববোৰ পূৰণ কৰিবলৈ সৰ্বাত্মক প্ৰচেষ্টা চলাই আছে যদিও বিশেষ সফলকাম হ'ব পৰা নাই। মূলতঃ আৰ্থিক দিশ টনকিয়াল নোহোৱাৰ বাবেই ক্ষীপ্ৰগতিত মহাবিদ্যালয়খনে অষ্টম বাঞ্চিত প্ৰগতি লাভ কৰিব পৰা নাই। অষ্টম পৰিকল্পনাৰ আগলৈকে মহাবিদ্যালয়ৰ স্নাতক শ্ৰেণীত প্ৰয়োজনীয় ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কম থকা বাবে বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা উন্নয়ণৰ বাবে কোনো ধৰণৰ অনুদান পাবলৈ সক্ষম হোৱা নাছিল।

শেহতীয়াভাবে বিশ্ববিদ্যালয় অনুদান আয়োগে গ্ৰন্থাগাৰৰ কাৰণে ৩ লাখ টকাৰ অনুদান এটি মঞ্জুৰ কৰিছে আৰু এই প্ৰতিবেদন যুগুতোৱাৰ সময়লৈকে উক্ত অনুদানৰ পৰা ১.৫০ লাখ টকা মুকলি কৰি দিছে। গ্ৰন্থাগাৰ নিৰ্মাণৰ কাম ক্ষীপ্ৰ গতিত আগবাঢ়িছে। পাবলগীয়া বাকী টকাখিনি পালে অতি কম সময়ৰ ভিতৰতে গ্ৰন্থাগাৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰিব পৰা যাব।

ৰাজ্য সভাৰ মাননীয় সদস্য শ্ৰীযুত ভূবনেশ্বৰ কলিতাদেৰেও কামৰূপ জিলাৰ উপায়ুক্তৰ জৰিয়তে সংসদ সদস্যৰ বাবে নিৰ্দ্ধাৰিত পুঁজিৰ পৰা মহাবিদ্যালয়ৰ গৃহনিৰ্মাণৰ বাবে ২.২০ লাখ টকা মঞ্জুৰ কৰিছে। উক্ত ধনৰ পৰা সম্প্ৰতি ১ লাখ টকা মুকলি কৰি দিছে। এই ধনখিনিৰে আমাৰ ভৱন নিৰ্মাণৰ কাম আৰম্ভ কৰা হ'ব আৰু মহাবিদ্যালয়ৰ আংশিক ভাৱে হ'লেও অভাৱ এটি পূৰণ কৰিব পৰা যাব।

আমি এই চেগতে বিশ্ববিদ্যালয় অনুদান আয়োগৰ আঞ্চলিক কাৰ্য্যালয়ৰ যুটীয়া সচিব ডঃ ব্ৰজেন্দ্ৰ নাথ ৰায় চৌধুৰী আৰু অবৰ সচিব শ্ৰী কে, কে, টেগুনৰ আন্তৰিক উদ্যম আৰু সহায় সহযোগিতাৰ শলাগ লৈছো। লগতে মাননীয় সংসদ সদস্য শ্ৰীভূৱনেশ্বৰ কলিতাদেৱ আৰু কামৰূপ জিলাৰ উপায়ুক্ত মাননীয় কুমাৰ সঞ্জয় কৃষ্ণঃদেৱলৈকে আমি আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

I. T. D. P বিভাগৰ পৰা জনজাতীয় ছাত্ৰীৰ ছাত্ৰীনিবাসৰ বাবে ১ লাখ টকাৰ মঞ্জুৰী দিব বুলি জনোৱাত ছাত্ৰীনিবাসৰ নিৰ্মাণৰ বাবে আঁচনি প্ৰস্তুত কৰি বিভাগলৈ পঠিওৱা হৈছিল। বিভাগে দিব খোজা ১ লাখ টকাৰ পৰা ৫০,০০০ টকা ইতিমধ্যে মুকলি কৰি দিছে। ৫০,০০০ টকাৰে আমি দাখিল কৰা আঁচনিৰ ছাত্ৰী নিবাস

সম্পূৰ্ণ কৰি তোলাটো সম্ভৱ নহ'ব যদিও ছাত্ৰী নিবাসৰ কাম আৰম্ভ কৰিবলৈ প্ৰয়োজনীয় প্ৰস্তুতি আৰম্ভ কৰা হৈছে। আমি আশা ৰাখিছো উক্ত বিভাগে ছাত্ৰী নিবাসটো সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত ভৱিষ্যতে প্ৰয়োজনীয় পুঁজিৰ যোগান ধৰিব।

মহাবিদ্যালয়খনত ক্ৰমাগত ভাবে শিক্ষক-শিক্ষয়িত্ৰীৰ সংখ্যা বাঢ়ি যোৱাত শিক্ষক-শিক্ষয়িত্ৰীৰ বাবে উপযুক্ত জিৰণি কোঠাৰ অভাব বহুদিন ধৰি অনুভৱ কৰি অহা হৈছিল। এই অভাব পূৰণ কৰিবলৈকো ব্যৱস্থা গ্ৰহণ কৰা কৰা হৈছে।

মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে বহু বছৰ ধৰি মহাবিদ্যালয়ৰ চৌহদৰ প্ৰবেশ পথত এটি তোৰণ নিৰ্মাণৰ বাবে কৰ্তৃপক্ষৰ ওচৰত দাবী উত্থাপন কৰি আহিছিল। মহাবিদ্যালয়ৰ আৰ্থিক অনাটন সত্বেও এটি তোৰণ নিৰ্মাণৰ কাম হাতত লোৱা হৈছে। অতি কম সময়ৰ ভিতৰতে তোৰণ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰিব পৰা হ'ব বুলি আশা কৰা হৈছে।

১৯৮৬ চনতে মহাবিদ্যালয় খনত উচ্চতৰ মাধ্যমিক স্তৰত বিজ্ঞান শাখা প্ৰবৰ্ত্তন কৰা হৈছিল যদিও ১৯৯৩ চনত স্নাতক মহলাত বিজ্ঞান শাখা প্ৰবৰ্ত্তন কৰা হয়। আশানুৰূপ ভাবে বিজ্ঞান শাখাটোৱে অগ্ৰগতি লাভ কৰিব পৰা নাই। মহাবিদ্যালয়খনৰ নিজাববীয়াকৈ ধনৰ অভাব হোৱা হেতুকে এইক্ষেত্ৰত কিছু লেহেমীয়া গতিৰে আগবাঢ়িব লগীয়া হৈছে। তথাপিও চেষ্টাৰ ত্ৰুটি কৰা নাই। সীমিত সামৰ্থৰে এই-বেলি বিজ্ঞান শাখাৰ বাবে অতি প্ৰয়োজনীয় বিজুলী যোগান আৰু পানী যোগানৰ ব্যৱস্থা সম্পূৰ্ণ কৰি তোলা হৈছে। বিজ্ঞান শাখাটো পূৰ্ণাঙ্গৰূপত তুলি ধৰিবলৈ সৰ্বাত্মক প্ৰচেষ্টা চলাই থকা হৈছে। চৰকাৰ আৰু বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ পৰা লবলগীয়া যাবতীয় অনুমোদনৰ বাবে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

মহাবিদ্যালয় পৰিচালনা সমিতিয়ে ১৯৯৬-৯৭ চনৰ শিক্ষাবৰ্ষৰ পৰা বুৰঞ্জী, ভূগোল আৰু ইংৰাজী বিষয়ত "মেজৰ" পাঠ্যক্ৰম প্ৰবৰ্ত্তন কৰাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰিছে। কিন্তু বিশ্ববিদ্যালয় কৰ্তৃপক্ষই এটা শিক্ষা বৰ্ষত দুটা বিষয়তহে 'মেজৰ' খোলাৰ অনুমতি দিব পৰা ব্যৱস্থাৰ পৰিপ্ৰেক্ষিতত এইবাৰলৈ বুৰঞ্জী আৰু ভূগোল বিষয়তহে 'মেজৰ' পাঠ্যক্ৰম প্ৰবৰ্ত্তনৰ বাবে অনুমতি বিচাৰি যাবতীয় মাচুল আদি বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ ওচৰত জমা দিয়া হৈছে। উক্ত বিষয় দুটাত 'মেজৰ' পাঠ্যক্ৰম প্ৰবৰ্ত্তন কৰিবলৈ বিশ্ববিদ্যালয় কৰ্তৃপক্ষই অনুমতি প্ৰদান কৰিব বুলি আশা কৰা হৈছে।

এই বছৰটোত ভালেকেইগৰাকী শিক্ষক কৰ্মচাৰীৰ চাকৰি স্থায়ীকৰণৰ ব্যৱস্থা কৰাৰ লগতে আন কেইবাগৰাকী শিক্ষকক জ্যেষ্ঠ শিক্ষকৰ বাবে নিৰ্দ্ধাৰিত বেতন লাভ কৰাৰ ক্ষেত্ৰত কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

ক্ৰমে ৩০/৪/৯৫ আৰু ৩১/৫/৯৫ তাৰিখে মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক মাননীয় শ্ৰীশৰৎ চন্দ্ৰ তালুকদাৰ আৰু অধ্যক্ষ মাননীয় শ্ৰীযতীন্দ্ৰ চন্দ্ৰ নাথ দেৱে তেখেতসকলৰ নিৰ্দ্ধাৰিত চাকৰিকাল শেষ হোৱাত অৱসৰ গ্ৰহণ কৰে। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক কৰ্মচাৰীৰ তৰফৰ পৰা তেখেতসকলক সাদৰ সম্বৰ্দ্ধনা জনোৱা হয়। আৰম্ভনিৰে পৰা তেখেত-

সকলে এই মহাবিদ্যালয়খনৰ উন্নয়ণৰ কাৰণে যি সেৱা আগবঢ়াই গ'ল তাক মহাবিদ্যালয় খনৰ ইতিহাসে সদায় স্মৰণ কৰিব। এই মহাবিদ্যালয়খন এৰি গ'ল যদিও এতিয়াও আমি তেখেতসকলৰ পৰা সজ দিহা পৰামৰ্শ পাই আছো আৰু পাই থাকিম বুলি আশা কৰিছোঁ। তেখেতসকলৰ মঙ্গল কামনা কৰিলোঁ।

ওপৰত উল্লেখ কৰা পদক্ষেপসমূহ নিঃসন্দেহে মহাবিদ্যালয়খনৰ অগ্ৰগতিত সহায় কৰিব পৰা পদক্ষেপ বুলি আমি ভাবো। মহাবিদ্যালয়ৰ দৰে এখন শিক্ষানুস্থানক সৰ্বাঙ্গ সুন্দৰ ৰূপে গঢ়ি তুলিবলৈ হ'লে শিক্ষক, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী, পৰিচালনা সমিতি সমন্বিতে অঞ্চলবাসী ৰাইজৰ শুভদৃষ্টি আৰু সহায় সহযোগিতাৰ অতি প্ৰয়োজন। আমি এই প্ৰতিবেদনৰ সামৰণিত বিনয়েৰে তাকেই বিচাৰিলোঁ।

**জয়তু জৱাহৰ লাল নেহৰু মহাবিদ্যালয়।**

**শ্ৰীবসন্ত কুমাৰ দত্ত**
ভাৰপ্ৰাপ্ত অধ্যক্ষ
জৱাহৰলাল নেহৰু মহাবিদ্যালয়

# ৯৪-৯৫ চনৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

ভাৰত মাতাৰ মুক্তিৰ বাবে প্ৰাণাহুতি দিয়া বীৰ-বীৰাঙ্গনা সকললৈ, অসমৰ ভাষা-আন্দোলনত আত্মাহুতি দিয়া ভাষাৰ পূজাৰী সকলোলৈ আৰু অসমৰ বিগত অস্তিত্ব ৰক্ষাৰ আন্দোলনত কলিজাৰ কেঁচা তেজেৰে অসম আইক অৰ্ঘ্য নিবেদি শ্বহীদ হোৱা আই মাতৃৰ সন্তান সকলোলৈ পাতনিতে মোৰ আন্তৰিক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ।

যি সকল ছাত্ৰ-ছাত্ৰীৰ মৰম আৰু আস্থাত বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ১৯৯৪-৯৫ চনৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ গুৰু দায়িত্ব বহন কৰিবলৈ সুবিধা পালোঁ তেওঁলোকলৈ জয় জয়তে মোৰ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালোঁ। বিগত বছৰটোত ছাত্ৰ-ছাত্ৰীসকলক সেৱা কৰাৰ মানসেৰে আগবাঢ়ি আহি কেনে ধৰণৰ সেৱা কৰিলোঁ সেয়া আপোনাসৱৰ বিচাৰ্য্য। সাধাৰণ সম্পাদকৰ দৰে এই গধুৰ দায়িত্ব পালন কৰিবলৈ সক্ষম হোৱাৰ মূলতে হ'ল মহাবিদ্যালয়ৰ সকলো সদস্যৰ মৰম, পৰামৰ্শ আৰু সহযোগিতা।

**মহাবিদ্যালয় সপ্তাহ ঃ**

পুথিগত শিক্ষাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ মানসিক, শাৰীৰিক বিকাশ সাধনৰ বাবে মহাবিদ্যালয় সপ্তাহ' উদ্‌যাপন অপৰিহাৰ্য্য অংগ। এইবেলিও বিস্তৃত কাৰ্যাসূচীৰে ইংৰাজী ১৯৯৪-৯৫ চনৰ ৬।২।৯৫ ৰ পৰা ১৩।২।৯৫ ইং তাৰিখলৈ মহাবিদ্যালয় সপ্তাহ পালন কৰা হয়।। ৬ ফেব্ৰুৱাৰী ৰাতিপুৱা ৮ বজাত মহাবিদ্যালয়ৰ ভূতপূৰ্ব অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ দেৱে মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰি 'মহাবিদ্যালয় সপ্তাহৰ' শুভ উদ্বোধন কৰে। শ্বহীদ সকলৰ আত্মাৰ চিৰশান্তিৰ বাবে প্ৰথমে পুষ্পাঞ্জলিৰে শ্ৰদ্ধা নিবেদন কৰে আমন্ত্ৰিত সমাজকৰ্মী শ্ৰীযুত কাতিৰাম ৰাভা দেৱে। ইয়াৰ পিছতে ক্ৰমে চিত্ৰ-কলা আৰু হস্ত-কলা প্ৰদৰ্শনীৰ উদ্বোধন কৰে বকো হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি মাননীয় শ্ৰীযুক্ত অচ্যুত কান্ত অধিকাৰীদেৱে। খেল-ধেমালি প্ৰতিযোগিতা সমূহৰ শুভ উদ্বোধন কৰে স্থানীয় সমাজকৰ্মী মাননীয় শ্ৰীললিত চন্দ্ৰ মেছ দেৱে। "মহাবিদ্যালয় সপ্তাহৰ" বঁটা বিতৰণী সভাখন ১৩।২।৯৫ ইং তাৰিখে অনুষ্ঠিত হয়।

সভাত সভাপতিত্ব কৰে আমাৰ ভূতপূৰ্ব্ব অধ্যক্ষ মহাশয়ে। মহাবিদ্যালয়ৰ ভূতপূৰ্ব্ব অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ দেৱৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভাত বিশিষ্ট অতিথিৰ আসন গ্ৰহণ কৰে মাননীয় শ্ৰীযুত শান্তি কুমাৰ জৈন আৰু শ্ৰীযুত গজেন্দ্ৰ নাথ ঠাকুৰীয়াই। তেখেত সকললৈ আমাৰ অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

**সৰস্বতী পূজা, বিশ্বকৰ্মা পূজা আৰু বিভিন্ন উৎসৱ :**

পৰম্পৰাগত ভাৱে পালন কৰি অহা সৰস্বতী পূজা আন আন বছৰৰ দৰে এই বেলিও জাক-জমকতাৰে পালন কৰা হয়। মহাবিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰী অধ্যাপক-অধ্যাপিকা আৰু কৰ্মচাৰীবৃন্দই মিলি বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী আই বীণাপাণিৰ শ্ৰীচৰণত পুষ্পাৰ্ঘ্য নিবেদন কৰে। তদুপৰি মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱৰ তিৰোভাৱ তিথিও বিভিন্ন কাৰ্য্যসূচীৰে পালন কৰা হয়।

**নৱাগত আদৰণি সভা :**

১৯৯৫ ইংৰাজী চনৰ ১১ চেপ্তেম্বৰ তাৰিখে নৱাগত আদৰণি সভাখন মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মাননীয় শ্ৰীযুত বসন্ত কুমাৰ দত্ত দেৱৰ সভাপতিত্বত অনুষ্ঠিত হৈ যায়। সভাত মুখ্য অতিথি আৰু বিশিষ্ট অতিথিৰ আসন অলংকৃত কৰে যথাক্ৰমে আমাৰ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি মাননীয় শ্ৰীযুত দধিৰাম ব্ৰহ্ম আৰু বকো আঞ্চলিক পঞ্চায়তৰ সভাপতি মাননীয় শ্ৰীযুত প্ৰফুল্ল বড়োদেৱে। তেওঁলোকৰ বহুমূলীয়া ভাষণেৰে ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত আৰু অনুপ্ৰাণিত কৰা বাবে তেওঁলোকলৈ আমাৰ অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। তদুপৰি আমাৰ নিমন্ত্ৰণ ৰক্ষা কৰি সভাত উপস্থিত থাকি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰা ব্যক্তি সকলোলৈও আমাৰ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

**আন্তঃ মহাবিদ্যালয় টুৰ্ণামেণ্টত যোগদান :**

মোৰ এই কাৰ্য্যকাল ছোৱাত আমাৰ মহাবিদ্যালয়ে হাজো মহাবিদ্যালয়ত অনুষ্ঠিত "গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃ মহাবিদ্যালয় ফুটবল টুৰ্ণামেণ্টত যোগদান কৰাৰ সৌভাগ্য লাভ কৰে। আমাৰ মহাবিদ্যালয়ৰ পৰা ফুটবল টুৰ্ণামেণ্টত অংশ গ্ৰহণ কৰা প্ৰতি গৰাকী খেলুৱৈলৈ মোৰ অভিনন্দন থাকিল আৰু তেওঁলোকৰ উজ্জল ভৱিষ্যত কামনা কৰিলোঁ।

**শোকসভা :**

বিগত বছৰটোত আমি শোকত ম্ৰিয়মান হ'ব লগা হৈছিল। বিভিন্ন সময়ত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী আৰু খ্যাতনামা ব্যক্তি সকলৰ মৃত্যুত শোক সভা পতা হয় আৰু বিদেহী আত্মাৰ চিৰশান্তিৰ বাবে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনোৱা হয়।

**বিদায় সভা :**

১৩।৯।৯৫ ইং তাৰিখে আমাৰ মহাবিদ্যালয় খনৰ লগত আৰম্ভণিৰ পৰা জড়িত থকা দুগৰাকী অৱসৰপ্ৰাপ্ত ব্যক্তি মাননীয় অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ আৰু মাননীয় অধ্যাপক শ্ৰীযুত শৰৎ চন্দ্ৰ তালুকদাৰক বিদায় জনাবৰ বাবে এখনি বিদায় সভা অনুষ্ঠিত কৰা হয়। এই সভাখনত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত বসন্ত কুমাৰ দত্তদেৱে। প্ৰথমে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীয়ে শাৰীবদ্ধ ভাৱে থিয় দি দুয়ো গৰাকী ব্যক্তিক মঞ্চলৈ আদৰি আনে। সভাত উপস্থিত থকা সমাজৰ কিছুমান বিশিষ্ট

ব্যক্তিয়ে সুয়োগৰাকী ব্যক্তিৰ বিভিন্ন গুণৰাজি আৰু মহাবিদ্যালয়খনলৈ আগবঢ়োৱা বিভিন্ন অৰিহণাৰ কথা শ্ৰদ্ধাৰে সোঁৱৰে। লগতে মহাবিদ্যালয়ৰ কেইগৰাকীমান প্ৰাক্তন সম্পাদক আৰু প্ৰাক্তন ছাত্ৰই তেখেতসকলৰ সান্নিধ্য লাভ কৰা বিমল অভিজ্ঞতাসমূহ স্মৰণ কৰে। সভাৰ সভাপতি মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত বসন্ত কুমাৰ দত্তদেৱে সুয়োগৰাকী ব্যক্তিৰ বিভিন্ন মানবিক দিশ সুন্দৰভাৱে বিশ্লেষণ কৰে আৰু মহাবিদ্যালয়খনৰ মঙ্গলৰ বাবে ভৱিষ্যতত তেখেতসকলৰ পৰা সক্ৰ দিহা পৰামৰ্শ কমনা কৰে। মৰমৰ প্ৰতীক হিচাপে ছাত্ৰ-ছাত্ৰীৰ পৰা প্ৰীতি উপহাৰৰ সামগ্ৰী সুয়োজনকে আগবঢ়োৱা হয়।

**মহাবিদ্যালয়, মহাবিদ্যালয়ৰ কলা-শাখা আৰু বিজ্ঞান শাখা ঃ**

বিশ্ববৰেণ্য নেতা পণ্ডিত জৱাহৰলাল নেহৰুৰ নামত উচৰ্গিত, ইংৰাজী ১৯৬৪ চনতে স্থাপিত আৰু মাত্ৰ কেইগৰাকীমান ছাত্ৰ-ছাত্ৰীৰে ইংৰাজী ১৯৬৯ চনত ঘাটি মঞ্জুৰী লাভ কৰা আমাৰ মহাবিদ্যালয়খন বয়সৰ ফালৰ পৰা যদিও ৰূপালী জয়ন্তী উৎসৱৰ সময় অতিক্ৰম হৈছে, অৰ্থনৈতিকভাৱে পিচপৰা জনজাতি আবেষ্টনিত প্ৰতিষ্ঠিত এই মহাবিদ্যালয়খনৰ বৰ্দ্ধিত ছাত্ৰ-ছাত্ৰীৰ অভাৱ-অভিযোগ সমূহৰ কিছুমান আজিলৈ পূৰণ হোৱা নাই যদিও মোৰ কাৰ্যকালছোৱাত বহুদিন ধৰি দাবী কৰি অহা মহাবিদ্যালয়ৰ স্থায়ী গেট খন নিৰ্মাণ কৰা হয় আৰু ছাত্ৰ একতা সভাৰ বিভাগীয় সম্পাদক-সম্পাদিকাৰ বাবে চেয়াৰ ক্ৰয় কৰা হয়। তাৰোপৰি ছাত্ৰী জীৱনি কোঠাৰ বাবে ভূতপূৰ্ব্ব অধ্যক্ষৰ লগত সহযোগ কৰি D.R.D.A. "স্কিম" অনুসৰি বকো আঞ্চলিক পঞ্চায়তৰ সভাপতিলৈ এখন স্মাৰক পত্ৰ প্ৰদান কৰা হয় আৰু কিছু আৰ্থিক অনুদানৰ প্ৰতিশ্ৰুতি লাভ কৰাৰ সক্ষম হওঁ।

বিগত বছৰটোত মহাবিদ্যালয়ৰ বিজ্ঞান শাখাটোৰ কিছুমান বহুদিনীয়া অভাৱ পূৰণ কৰিবলৈ চেষ্টা কৰা হয়। ইয়াৰ বাবে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ ওচৰত আমি কৃতজ্ঞ। ২৬-১১-৯৪ ইং তাৰিখে বহা ছাত্ৰ একতা সভাৰ সংবিধানখনৰ দশম অনুচ্ছেদটোৰ সংশোধন কৰা হয়।

**আমাৰ অভাৱ-অভিযোগবোৰ ঃ**

মহাবিদ্যালয় এখনৰ যথেষ্ট অভাৱ-অভিযোগ আছে আৰু থাকিব। আমাৰ মহাবিদ্যালয়ো সেই ক্ষেত্ৰত ব্যতিক্ৰম নিশ্চয় নহয়। তথাপি আৰ্থিক নাটনি সত্বেও, তলত উল্লেখ কৰা কেইটামান সমস্যা পৰ্য্যায়ক্ৰমে সমাধান কৰাৰ বাবে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ ওচৰত নিবেদন কৰিলোঁ। ১। শ্ৰেণীৰ কোঠা (২) প্ৰেক্ষাগৃহ (৩) প্ৰয়োজন অনুসাৰে "প্ৰধান বিষয় ( Major subjects )" ৪। ছাত্ৰী জিৰণি কোঠা (৫) চাইকেল আস্থান ইত্যাদি।

**কৃতজ্ঞতা স্বীকাৰ ঃ**

সাধাৰণ সম্পাদক হিচাপে মোৰ কাৰ্য্যকাল ছোৱাত বিভিন্ন দিশত দিহা-পৰামৰ্শ দি উপকৃত কৰাৰ কাৰণে মই মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ ভূতপূৰ্ব অধ্যক্ষ মাননীয় শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথদেৱ আৰু বৰ্তমান ভাৰপ্ৰাপ্ত অধ্যক্ষ তথা ছাত্ৰ একতা সভাৰ কাৰ্য্যকৰী সমিতিৰ সভাপতি শ্ৰদ্ধাৰ মাননীয় শ্ৰীযুত বসন্ত কুমাৰ দত্তদেৱ লগতে মাননীয় অধ্যাপক-অধ্যাপিকাৰ ওচৰত চিৰকৃতজ্ঞ। তদুপৰি ছাত্ৰী একতা সভাৰ সতীৰ্থসকল প্ৰমুখ্যে ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী ৰবিন, মিজানুৰ, সত্যজিত,

ভগৱান, মানবেন্দ্ৰ, দীপ, ৰতন, জ্যোতি হেমন্ত, মৃনাল, প্ৰফুল্ল, জনাৰ্দন, অনিল, হলি, সঞ্জীৱ, জগত, আবিজুৰ, নিৰ্মলপ্ৰভা, সনতি, ৰীতা, ৰীমা, বন্তিশিখা, তৃষ্ণা, পাৰুল, গীতালী, সঙ্গীতা, বিনীতা, আৰু গীতালৈ মোৰ কাম-কাজত সহায় সহযোগিতা আগবঢ়োৱা বাবে মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। আনহাতে সকলো সময়তে সহায়-সহযোগিতা আগবঢ়োৱা বাবে মহাবিদ্যালয়ৰ কাৰ্য্যালয়ৰ সহায়ক জীৱেশ্বৰ, নাৰায়ণ, ভাৰত, বিল্লেশ্বৰ, শংকৰ, সভাৰাম, পদ্ম আদিলৈ মৰম আৰু কৃতজ্ঞতা জনালো।

সদো শেষত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক ধন্যবাদ আৰু অজ্ঞানিতে হৈ যোৱা অনিচ্ছাকৃত ভুল-ভ্ৰান্তিৰ বাবে সকলোৰে ওচৰত মৰিষণ বিচাৰি লগতে "জৱাহৰ জ্যোতি"ৰো দীৰ্ঘায়ু কামনা কৰি সাধাৰণ সম্পাদকৰ প্ৰতিবেদন সামৰিছোঁ।

**"জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়"**

ধন্যবাদেৰে

**শ্ৰীৰজিত বড়ো**

সাধাৰণ সম্পাদক

ছাত্ৰ একতা সভা

১৯৯৪-৯৫ ইং চন

জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বক্সো

# খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভনিতে অসমৰ জ্ঞাত-অজ্ঞাত সমূহ শ্বহীদ আৰু খেলুৱৈসকললৈ মোৰ অশ্ৰু অঞ্জলি তথা শ্ৰদ্ধা যাচিছোঁ। যিসকল ছাত্ৰ ছাত্ৰীয়ে মহাবিদ্যালয় নিৰ্বাচনত মোক ভোট দি জয়লাভ কৰাত সহায় কৰিলে তেওঁলোকলৈও কৃতজ্ঞতা জ্ঞাপন কৰিছো। বিগত বছৰটিত খেল বিভাগৰ সম্পাদক হিচাপে ছাত্ৰ-ছাত্ৰীক সেৱা কৰিবলৈ সুযোগ লাভ কৰাৰ বাবে নিজকে ধন্য মানিছো।

মোৰ দৃষ্টিত মানুহ এজন শাৰিৰীক, মানসিক, বৌদ্ধিক আদি সকলো দিশতে বিকশিত হ'বলৈ শিক্ষাৰ লগতে খেল ধেমালিৰো নিতান্ত প্ৰয়োজন, কিন্তু তেনেধৰণৰ মানসিকতা আমাৰ মহাবিদ্যালয়ৰ বহু সংখ্যক ছাত্ৰ-ছাত্ৰীৰ নাই যেন মোৰ অনুভৱ হয়। উদাহৰণ স্বৰূপে মহাবিদ্যালয়ৰ বাৰ্ষিক 'মহাবিদ্যালয় সপ্তাহ'। মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত কৰা গুৰু খেল-ধেমালি বিলাকত অংশগ্ৰহণ কৰিবলৈ ছাত্ৰ-ছাত্ৰী বিলাকে টান পায়, ইয়াৰ কাৰণ কি সেয়া মোৰ অজ্ঞাত। তথাপি যিসকল ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰিছিল তেওঁলোকক অনুৰোধ জনাও তেওঁলোকে যেন দৈনন্দিন অনুশীলন অব্যাহত ৰাখে। কাৰণ অনুশীলনৰ অভাৱতেই যোৱা বছৰ ('৯৫ চনত) হাজো সুৰেন্দ্ৰনাথ মহাবিদ্যালয়ত অনুষ্ঠিত কৰা আন্তঃ মহাবিদ্যালয় ফুটবল প্ৰতিযোগিতাৰ দ্বিতীয় পৰ্য্যায়ৰ খেলৰ পৰাই আমাৰ মহাবিদ্যালয় দলটিয়ে বিদায় মাগিবলগীয়া হয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অন্তৰ্গত অন্য মহাবিদ্যালয়ে সুখ্যাতিৰে আগুৱাই গৈ ট্ৰফী দখল কৰাৰ বিপৰীতে আমাৰ মহাবিদ্যালয়ে সুদাহাতে উভতি আহিব লগীয়াহোৱাতো সঁচাকৈয়ে খুব লাজৰ কথা। হয়তো খেলুৱৈ নিৰ্বাচন কৰোতে আমাৰো খুত হৈ যাব পাৰে তাৰবাবে আমিও নিশ্চয় ক্ষমাৰ অযোগ্য।

সদৌ শেষত জানিত কিম্বা অজানিত কাৰণত কৰা সকলোবোৰ দোষৰ বাবে সকলোটিৰে ওচৰত ক্ষমা ভিক্ষা মাগিছো। নাজানো বিগত বছৰটিত ছাত্ৰ-ছাত্ৰীৰ প্ৰতি কেনেধৰণৰ সেৱা আগবঢ়ালো সেয়া আপোনালোকৰ বিচাৰাধীন। মোৰ সকলোবোৰ কামত সহায় সহযোগিতা আগবঢ়োৱাৰ বাবে সমূহ বন্ধু-বান্ধৱী তথা ছাত্ৰ একতা সভাৰ কৰ্মকৰ্তা সকললৈ ধন্যবাদ যঁাচিছো লগতে বিভিন্ন কামত দিহা পৰামৰ্শ দি উৎসাহ যগোৱাৰ বাবে তত্বাবধায়ক অধ্যাপক মিৰাজ খান ছাৰ, অধ্যাপক দ্বীজেন দাস ছাৰ, মদন কাকতি ছাৰ দেৱলৈ মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰি মোৰ চমু প্ৰতিবেদনৰ ইতিৰেখা টানিছো। জয়তু জৱাহলাল নেহৰু মহাবিদ্যালয়।

বিনম্ৰতাৰে—

শ্ৰীবিৰিঞ্চি পাঠক, খেল সম্পাদক
ছাত্ৰ একতা সভা ১৯৯৪/৯৫
জৱাহৰলাল নেহৰু মহাবিদ্যালয় (বকো)

# সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন

জয়জয়তে মোৰ প্ৰতি আস্থা ৰাখি বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ১৯৯৪-৯৫ ইং চনৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মোক জয়যুক্ত কৰি সাংস্কৃতিক বিভাগৰ সম্পাদকৰ গুৰু দায়িত্ব ভাৰ দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী বন্ধুলৈ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছো।

সাংস্কৃতিক বিভাগৰ সম্পাদকৰ কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছত মহাবিদ্যালয়ৰ বাৰ্ষিক উৎসৱ 'মহাবিদ্যালয় সপ্তাহ' অনুষ্ঠিত হৈছিল। মহাবিদ্যালয় সপ্তাহত সাংস্কৃতিক বিভাগৰ ফালৰ পৰা গীত-মাত আদিৰ বিভিন্ন প্ৰতিযোগিতা পতা হয়। পাঁচদিনীয়া কাৰ্য্যসূচীৰে অনুষ্ঠিত প্ৰতিযোগিতা সমূহত যথেষ্ট সংখ্যক প্ৰতিযোগীৰ উৎসাহ জনক সঁহাৰিয়ে প্ৰতিযোগিতা খনৰ সৌন্দৰ্য্য বৃদ্ধি কৰিছিল। এই খিনিতে প্ৰতিযোগী সকললৈ মোৰ ধন্যবাদ জ্ঞাপন কৰিছো। লগতে আমাৰ নিমন্ত্ৰণ ৰক্ষা কৰি বিচাৰক মণ্ডলীয়ে কাৰ্য্যসূচী সফল কৰাত অৰিহণা যোগোৱাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সাংস্কৃতিক বিভাগৰ সম্পাদকৰূপে কাম সমূহ চলাই নিয়াৰ বিভিন্ন দিশত দিহা পৰামৰ্শ দি মোক সহায় কৰাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ, মোৰ চিৰ নমস্য মাননীয় শ্ৰীযুত নবীন চন্দ্ৰ মুদিয়াৰ চাৰলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে মোৰ কাৰ্য্যকালত প্ৰতিটো মুহূৰ্ততে মোলৈ সহায় সহযোগিতা আগবঢ়োৱাৰ বাবে মনোজ, প্ৰণৱ, দীপাংকৰ, হিৰণ্য, বেদান্ত, দুলু, বন্তি, পাৰুল, আদি বন্ধু বান্ধৱীলৈ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সদৌ শেষত মোৰ অজানিতে হোৱা কিবা ভুল ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰি মহাবিদ্যালয়ৰ দীৰ্ঘায়ু কামনাৰে প্ৰতিবেদন সামৰিছো।

সত্যম শিৱম সুন্দৰম
শ্ৰীধীৰাজ দাস
সাংস্কৃতিক সম্পাদক,
১৯৯৪-৯৫ ইং

# "তৰ্ক আৰু আলোচনা চক্ৰ" বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভনিতে যি সকল ছাত্ৰ-ছাত্ৰীয়ে মোক ছাত্ৰ একতা সভাৰ "তৰ্ক আৰু আলোচনা চক্ৰ" বিভাগৰ সম্পাদকৰ বাবে নিৰ্বাচিত কৰি মহান অনুষ্ঠানটোলৈ সেৱা কৰাৰ সুযোগ দিলে তেওঁলোকলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

তৰ্ক আবৃত্তি, কুইজ এই অনুষ্ঠানবোৰ শিক্ষাৰ অপৰিহাৰ্য্য অংগ। গতিকে এই অনুষ্ঠানবোৰৰ আৱশ্যকতা ছাত্ৰ-ছাত্ৰীয়ে অনুভৱ কৰা উচিত। সেয়ে ছাত্ৰ-ছাত্ৰীৰ মানসিক শক্তি বিকাশ সাধনৰ বাবে উক্ত অনুষ্ঠানবোৰক সুস্থ ভাবে গঢ় দি তোলাটো আমাৰ কৰ্ত্তব্য। মই মোৰ প্ৰতিবেদনৰ যোগেদি উক্ত বিভাগৰ পৰৱৰ্ত্তী সম্পাদকলৈ অনুৰোধ জনাওঁ যে মহাবিদ্যালয় সপ্তাহৰ বাহিৰেও আন আন সময়ত উক্ত অনুষ্ঠানবোৰৰ প্ৰতিযোগিতা পাতি, ছাত্ৰ ছাত্ৰীৰ মানসিক উৎকৰ্ষ সাধন হোৱাত অৰিহনা যোগায়।

অইন বছৰৰ দৰে "মহাবিদ্যালয় সপ্তাহ" উপলক্ষে তৰ্ক বিভাগটোক বিভিন্ন অনুষ্ঠানেৰে আয়োজন কৰা হৈছিল। কিন্তু দুঃখেৰে জনাবলৈ বাধ্য হৈছো যে তৰ্ক, মুকলি বক্তৃতা ইংৰাজী কবিতা আবৃত্তি আদি অনুষ্ঠান বোৰত প্ৰতিযোগীৰ সংখ্যা নগন্য আছিল। ছাত্ৰ ছাত্ৰীৰ উপস্থিতি যথেষ্ট সেৰেঙা আছিল। এইটো ছাত্ৰ ছত্ৰীৰ বাবে শুভ লক্ষণ নহয়।

মোৰ কাৰ্য্যকালত বিভাগটো চলাই নিয়াত কিমান সফল হৈছো সেইটো আপোনালোকৰ বিবেচনাৰ বিষয়। লগতে কাৰ্য্যকাল চলাই নিয়াত মই কৰা ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা ভিক্ষা মাগিছো।

মই কাৰ্যকাল চলাই যোৱাত প্ৰতিটো মুহুৰ্ত্তত মূল্যবান দিহা-পৰামৰ্শ লাভ কৰিবলৈ সক্ষম হৈছো তত্বাবধায়ক অধ্যাপক শ্ৰীযুত দিলীপ কুমাৰ দাস দেৱৰ পৰা। তেখেতৰ দিহা পৰামৰ্শমতে অনুষ্ঠানবোৰ সময়মতে ৰূপায়ন কৰিবলৈ সক্ষম হৈছিলো। তেখেতৰ ওচৰত মই চিৰ ঋণী।

কাৰ্যকাল চলাই নিয়াত বিভিন্ন দিশত সহায় আগবঢ়োৱা সকলোৰ ভিতৰত পুলক দে, নাজিমুদ্দিন আহমেদ, প্ৰনৱ বৈশ্য, সুশীল পাটোৱাৰী, আবিদুৰ ৰহমান, খৰ্গেশ্বৰ কাকতি, মদন কলিতা, সূৰ্য্য কলিতা, উত্তম বৰাক, কিশোৰ শৰ্মা, ৰাজেশ আগৰৱালা, আৰু দ্বিপেন বৰুৱালৈ আন্তৰিক কৃতজ্ঞতা জনাই প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয় আই অসম
শ্ৰীবশিষ্ঠদেৱ শৰ্মা
সম্পাদক
তৰ্ক আৰু আলোচনা চক্ৰ বিভাগ
জ. নে মহাবিদ্যালয়, বকো।

# ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ১৯৯৪-৯৫ চনৰ ছাত্ৰ একতা সভাৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে মোক বিনাপ্ৰতিদদ্বিতাই নিৰ্বাচিত কৰাৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু বান্ধৱীক মোৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ।

ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে মই মোৰ সকলো কাম-কাজ আৰু দায়িত্ব নিয়াৰিকৈ পালন কৰাত মই কোনো প্ৰকাৰৰ ত্ৰুটি কৰা নাই বুলি মই ভাবো তথাপিতো মই কৰ্তব্য আৰু দায়িত্ব পালন কৰাত কিমান খিনি সফলতা অৰ্জন কৰিছো সেইখিনি আপোনালোকৰ বিচাৰ্য্য।

ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰাৰ পিছতে কিছু অসুবিধাৰ সন্মুখীন হৈছিলো। ইয়াৰ ভিতৰত ছাত্ৰী জিৰণি কোঠাটোকে মূখ্য হিচাপে ধৰিব পাৰি। ছাত্ৰী অনুপাতে এই কোঠাটো তেনেই ক্ষুদ্ৰ। আশা ৰাখিছো মহাবিদ্যালয়ৰ সিমিত পূজিৰ জৰিয়তে হ'লেও কৰ্ত্তৃপক্ষই এটা আহল বহল কোঠা নিৰ্মাণ কৰাত গুৰুত্ব প্ৰদান কৰিব।

মহাবিদ্যালয় সপ্তাহত ছাত্ৰী জিৰণি কোঠাৰ ফালৰ পৰা কেৰম, ডবা, বেমিণ্টন পৰম্প-সাজপাৰ, অন্তঅক্ষৰিক আদি বিভিন্ন প্ৰতিযোগিতা বাগত অনুস্থিত কৰা হৈছিল। উল্লেখীনয় যে কিছুমান প্ৰতিযোগিতাত প্ৰতিযোগীৰ সংখ্যা একেবাৰেই কম আছিল। আশা ৰাখিছো ভবিষ্যতে প্ৰতিযোগীৰ সংখ্যা বৃদ্ধি পাব।

মোৰ কাৰ্য্যকালছোৱাত মোক সকলোপিনেদি দিহা পৰামৰ্শ দি মোক কৰ্ত্তব্য আৰু দায়িত্ব পালনত সহায় কৰাৰ বাবে তত্ত্বধায়ক অধ্যাপিকা শ্ৰীযুতা জয়শ্ৰী ভূঞা বাইদেউক মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো লগতে কাৰ্য্যকৰী সমিতিৰ সমূহ সদস্যা-সদস্যক প্ৰতিবেদনৰ জৰিয়তে কৃতজ্ঞতা জ্ঞাপন কৰিলো। লগতে মোৰ কাৰ্য্যকালত প্ৰতিটো মুহূৰ্ততে সহায় সহযোগ আৰু পৰামৰ্শ আগবঢ়োৱা ৰাজীৱদা, ৰমেনদা, ভূদেৱ খুৰা, সঞ্জীৱদা, কন্দৰ্পদা, প্ৰণৱদা ৰাজিতদা, বিচিত্ৰদা, আজিজুৰ, ভগৱানদা, আৰু লগতে গীতালী, পাৰুল, গীতি, বন্তি, দুলুক মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ প্ৰমুখ্যে প্ৰতি গৰাকী সদস্যলৈ মোৰ অশেষ ধন্যবাদ আৰু আন্তৰিক কৃতজ্ঞতা জনালো।

সদৌ শেষত মোৰ কিবা অজানিতে, বৈ যোৱা ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি আৰু আমাৰ মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰিলোঁ।

**শ্ৰীৰীমা অধিকাৰি**
সম্পাদিকা
ছাত্ৰী জিৰণি কোঠা

# ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন

১৯৯৪-৯৫ চনৰ জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ছাত্ৰ জিৰণি চ'ৰাৰ সম্পাদক পদৰ বাবে যি সকল বন্ধু-বান্ধৱী ছাত্ৰ-ছাত্ৰীয়ে মোক বিশ্বাস আৰু আত্ম প্ৰত্যয়েৰে এই গধুৰ দায়িত্ব অৰ্পণ কৰিছিল তেওঁলোকলৈ মই আন্তৰিক মৰম জ্ঞাপন কৰিছো। এই গধুৰ দায়িত্ব পালন কৰাৰ সময় ছোৱাত মই কিমান দূৰ কৃতকাৰ্য্য হ'ব পাৰিছো সেই বিচাৰ কৰিব ছাত্ৰ-ছাত্ৰী সকলে।

ঐতিহ্যপূৰ্ণ এই শিক্ষানুষ্ঠানৰ মোৰ সম্পাদকীয় কাৰ্য্যকালৰ ভিতৰত মহাবিদ্যালয় সপ্তাহত ছাত্ৰ জিৰণি কোঠাৰ ফালৰ পৰা কেৰম, বেডমিণ্টন, ডবা, পাঞ্জা আদি বিভিন্ন খেলৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। মোৰ কাৰ্য্যকাল চলাই নিয়াত সহায়-সহযোগ আগবঢ়োৱা বন্ধু দীপক, প্ৰদীপ, টিংকু, বিপুল, প্ৰশান্ত, জিতু, হিমাংশু আৰু মিজানুৰহতলৈ মৰম থাকিল। মই অনুষ্ঠিত কৰা প্ৰতিযোগিতা সমূহত প্ৰতিযোগীৰ সংখ্যা আছিল সন্তোষ জনক।

মহাবিদ্যালয়ৰ বৰ্ধিত ছাত্ৰ-ছাত্ৰীৰ অনুপাতে খেলৰ সামগ্ৰী তাকৰ। আশা ৰাখিছো মহাবিদ্যালয় কৰ্ত্তৃপক্ষই খেলৰ সামগ্ৰী বৃদ্ধি কৰাত গুৰুত্ব দিব।

মোৰ কাৰ্য্যকালৰ সময়ছোৱাত সকলো দিনৰপৰা মোৰ কৰ্তব্য আৰু দায়িত্ব পালনত সহায় কৰা ছাত্ৰ জিৰণি কোঠাৰ তত্বাবধায়ক অধ্যাপক শ্ৰীযুত অৰুন পাটোৱাৰীৰ ওচৰত মই কৃতজ্ঞ।

সদৌ শেষত এই সময়ছোৱাত হৈ যোৱা ভুল ভ্ৰান্তিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ।

শ্ৰদ্ধাৰে

মঃ আজিজুৰ ৰহমান

সম্পাদক, ছাত্ৰ জিৰণি কোঠা

# '৯৫ চনৰ ক্ৰীড়া সম্পাদকৰ প্ৰতিবেদন

পোনতে বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ দৰে অনুস্থান এটিৰ সেৱা কৰিবলৈ সুযোগকণ দিয়া বাবে মই জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক আন্তৰিক কৃতজ্ঞতা যাচিছোঁ।

বৰ্ত্তমান গোটেই বিশ্বতে ক্ৰীড়াংগন ৰণাংগনলৈ পৰিবৰ্তন হৈছে। ৰণক্ষেত্ৰত যেনেকৈ এজন সৈনিকে মহা পৰাক্ৰমেৰে যুজি যুদ্ধত জয়লাভ কৰি নিজৰ তথা দেশৰ গৌৰৱ কঢ়িয়াই, তেনেদৰে ক্ৰীড়া ক্ষেত্ৰতো এজন খেলুৱৈয়ে নিজৰ পাৰদৰ্শিতা প্ৰদৰ্শনেৰে নিজৰ তথা দেশৰ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়। ভাল খেলুৱৈ এজনে নিজৰ দেশত বুলিয়েই নহয়, অন্য দেশতো তেওঁ নিজৰ স্থিতি সবল কৰি ৰাখিব পাৰে। খেলুৱৈ এজনৰ পাৰদৰ্শিতা ঐশ্বৰিক দান নহয়। খেলুৱৈ এজনৰ একাগ্ৰতা, আৰু চেষ্টাৰ ওপৰতেই তেওঁৰ পাৰদৰ্শিতা যথেষ্ঠ পৰিমাণে নিৰ্ভৰ কৰে। খেলে ব্যক্তি এজনৰ মানসিক সুস্থতাৰ লগতে সুস্বাস্থ্য বজাই ৰখাত যথেষ্ঠ অৰিহণা যোগাই। সেয়ে খেলক পেচা হিচাপে লোৱা খেলুৱৈ সকলেহে যে খেল খেলিব লাগে তেনে নহয়, বৰং সকলো ছাত্ৰ-ছাত্ৰীয়ে খেল খেলাৰ প্ৰতি কিছু হ'লেও মনোনিবেশ কৰা উচিত। বৰ্তমানৰ এজন ভাল খেলুৱৈৰ ক্ৰীড়া শৈলীয়ে ভৱিষ্যতৰ এজন ভাল খেলুৱৈৰ জন্ম দিব পাৰে। সেয়ে খেলুৱৈ সকলে পৃথিৱী বিখ্যাত খেলুৱৈসকলৰ বিষয়ে অধ্যায়ন কৰা নিতান্তই প্ৰয়োজনীয়।

আন আন বছৰৰদৰে এই বছৰো মহাবিদ্যালয় সপ্তাহত বিভিন্ন ধৰণৰ ক্ৰীড়া প্ৰতিযোগীতা অনুস্থিত কৰা হয়। মোৰ কাৰ্য্যকালত মহাবিদ্যালয় সপ্তাহত তিনিটা নতুন ক্ৰীড়া প্ৰতিযোগিতা অনুস্থিত কৰা হৈছিল। সেই কেইটা হ'ল স্লো চাইকেল ৰেচ, ফাষ্ট চাইকেল ৰেচ আৰু হাউল ৰেচ। মোৰ বিভাগত থকা প্ৰতিটো প্ৰতিযোগিতাতে অভিলেখ সংখ্যক প্ৰতিযোগীৰ উপস্থিতিত মই নিজকে ধন্য মানিছো। ইমান সংখ্যক প্ৰতিযোগীয়ে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ ক্ৰমানুসাৰে খেলৰ প্ৰতি বৃদ্ধি পোৱা আগ্ৰহকে সুচায়। চটফুট, ডিচকাচ আৰু লংজাম্পত দুজনমান খেলুৱৈয়ে অতি উৎকৃষ্ট মানৰ খেল প্ৰদৰ্শন কৰি সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। আমাৰ দৰে যথোচিত সুবিধা নোপোৱা মহাবিদ্যালয় এখনৰ ছাত্ৰ-ছাত্ৰীয়ে দেখুওৱা ফলাফলৰ পৰা ভৱিষ্যতৰ ভাল খেলুৱৈৰ আশা কৰিব পাৰি। উপযুক্ত প্ৰশিক্ষণ আৰু